অসম

কাজিৰঙা দুর্ঘটনাৰ আহতসকলৰ বাবে ৰক্তদান কৰিব আছু-অসম সেনাই

কাজিৰঙাৰ পথ দুর্ঘটনাত আহতসকলৰ চিকিৎসাৰ বাবে প্রয়োজন হ'লে ৰক্তদান কৰিব সদৌ অসম ছাত্র সন্থা আৰু অসম সেনাই।

প্রকাশ: ১৩ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৯



কাজিৰঙাৰ ভয়াৱহ পথ দুর্ঘটনাত আহত যাত্রীসকলৰ চিকিৎসাৰ বাবে প্রয়োজন হ'লে ৰক্তদান কৰিব সদৌ অসম ছাত্র সন্থা চমুকৈ আছু আৰু অসম সেনাই। আছুৰ সভাপতি উৎপল শর্মাই ফেচবুক প'ষ্টযোগে এই কথা ঘোষণা কৰে।

> কাজিৰঙাৰ শোকাৱহ দুর্ঘটনাত আহতসকলৰ চিকিৎসাৰ বাবে তেজৰ প্রয়োজন হ'লে আছু আৰু অসম সেনাই ৰক্তদান কৰিব।

ৰাজ্যৰ আন ঠাইত আহতসকলৰ চিকিৎসা চলি থাকিলেও সংশ্লিষ্ট অঞ্চলৰ আছু কর্মীসকলে ৰক্তৰ যোগান ধৰিব বুলি উৎপল শর্মাই জনায়। ৰক্তদানৰ বাবে যোগাযোগৰ নম্বৰ প্রকাশ কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে।

ৰঙাজানত তীব্রবেগী এখন ট্রেভেলাৰে এখন ট্রেইলাৰত খুন্দা মৰাৰ ফলত এই দুর্ঘটনা সংঘটিত হয়। কে এ ০১ এ টি ০৯৭৭ নম্বৰৰ ট্রেভেলাৰখনত ৩৫ জনতকৈ অধিক যাত্রী আছিল। তেওঁলোকৰ মাজত কাজিৰঙা উচ্চ

বিদ্যালয়ৰ শিক্ষার্থীও আছিল।

দুর্ঘটনাস্থলীতে প্রথমে ১২ জন যাত্রীৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছিল। দুপৰীয়া ৩ বাজি ০৯ মিনিটলৈকে আহতসকলৰ কেইবাজনৰো মৃত্যু হোৱাত মৃতৰ সংখ্যা ১৬ জনলৈ বৃদ্ধি পায়। শেহতীয়া তথ্য অনুসৰি দুর্ঘটনাটোত ২৩ জনৰ মৃত্যু হৈছে।

আহতসকলক চিকিৎসাৰ বাবে বোকাখাত অসামৰিক চিকিৎসালয়লৈ প্রেৰণ কৰা হয়। আনহাতে, অধিক চিকিৎসাৰ বাবে সাতজন আহত যাত্রীক যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত ভর্তি কৰোৱা হৈছে।

দুর্ঘটনাৰ পাছতে উদ্ধাৰ অভিযান আৰম্ভ কৰা হয়। বিধ্বস্ত ট্রেভেলাৰখনৰ ভিতৰত কেইবাজনো যাত্রী আবদ্ধ হৈ পৰিছিল বুলি জানিব পৰা গৈছে। ট্রেভেলাৰখন নগাঁও-গোলাঘাট পথত চলাচল কৰা এম পি ট্রেভেলছৰ আছিল। চালকজনক মুজিদ আৰু সহকাৰীজনক শুভ বুলি চিনাক্ত কৰা হৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2798/achu-osm-sena-ktdan-kajinga-dughtna